জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫০/২০২০

# ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট সমাজকৰ্মীৰ সৈতে মুখ্যমন্ত্ৰীৰ টেলিফোনযোগে বাৰ্তালাপ

## মানৱ কল্যাণৰ জৰিয়তে ৰাজ্যৰ কল্যাণ সাধনৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১১ মে’ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্যখনৰ বিভিন্ন সামাজিক ক্ষেত্ৰত উল্লেখযোগ্য বৰঙনি আগবঢ়াই অহা কেইবাগৰাকীও অগ্ৰণী ব্যক্তিৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি তেওঁলোকৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি বিভিন্ন বিষয় সম্পৰ্কত আলোচনা কৰে।

বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে দেশত আৰম্ভ হোৱা তৃতীয় পৰ্যায়ৰ লক ডাউনৰ সময়ছোৱাত জনসাধাৰণক সামাজিক দূৰত্ব বৰ্তাই ৰখা তথা স্বাস্থ্যসন্মত বিধি-বিধান মানি চলা সম্পৰ্কত সজাগ আৰু সচেতন কৰাৰ বাবে অগ্ৰণী ভূমিকা পালন কৰিবলৈ বিশিষ্ট ব্যক্তিসকলক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে এই সময়ছোৱাত জনসাধাৰণৰ মনোবল বৃদ্ধিৰ বাবে উদ্বুদ্ধ কৰাৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে মানৱ কল্যাণৰ জৰিয়তে ৰাজ্যৰ কল্যাণ সাধনৰ বাবে তেওঁলোকক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে সামাজিক দূৰত্ব বজাই ৰাখি কৃষকসকলে যাতে কৃষি কৰ্মত নিয়োজিত হৈ ৰাজ্যৰ অৰ্থনৈতিক ব্যৱস্থাটো পুনৰুজ্জীৱিত কৰিব পাৰে তাৰ বাবেও প্ৰেৰণা যোগাবলৈ বিশিষ্ট ব্যক্তিসকলক আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডাঃ মুনীন্দ্ৰ মোহন ডেকা, সামাজিক সংগঠনৰ নেতৃস্থানীয় ব্যক্তি দীনেশ তিৱাৰী, পল্লৱ পৰাশৰ, জ্যোৎস্নাময় চক্ৰৱৰ্তী, পূৰ্ণ চন্দ্ৰ মণ্ডল, ইতিহাস চৰ্চাত জড়িত ভৱ ৰঞ্জন ৰায়, সংস্কৃত সাহিত্যৰ চৰ্চাত অগ্ৰণী কুমুদ বৰঠাকুৰ, বিভিন্ন ক্ষেত্ৰত কাম কৰা মজদুৰসকলৰ মাজত জনচেতনাৰে জাগ্ৰত কৰা দীপ্তি বৰা শইকীয়া, নৱ কুমাৰ গগৈ, মহিলা সমাজৰ মাজত সজাগতা আনিবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰখা ডাঃ পুনি দেৱী, সমাজ সংস্কাৰৰ বিভিন্ন কামত জড়িত অশোক তিৱাৰী, কৃষক সমাজৰ মাজত সামাজিক সচেতনতা বৃদ্ধিৰ বাবে কৰ্মৰত কুৰুশৰ তিমুং, ৰাজীৱ জয়চোৱাল, কৃষ্ণকান্ত বৰা আৰু উদ্যোগিক ক্ষেত্ৰৰ লগত কৰ্মৰত মনোজ লুনিয়াৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে।

**প্ৰঃকুঃবঃ/ পুঃডেঃ**
**১১/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in